বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## মহানবী (ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)-ৰ অতুলনীয় কৃতজ্ঞতা প্ৰকাশ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ১৭ জুলাই ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,

আল্লাহ তা'লাই যেতিয়া মানুহক সৃষ্টি কৰিলে, তাৰ পূৰ্বেই তেওঁৰ কল্যাণৰ বাবে অগণন নিয়ামত (আশীৰ্বাদ) সৃষ্টি কৰিছে। আল্লাহ তা'লাৰ এই অনুগ্ৰহে নিশ্চিতভাৱে এই কথাৰ দাবী কৰে যে বান্দাই তেওঁৰ কৃতজ্ঞতা জ্ঞাপন কৰক। প্ৰত্যেক নবীয়েই নিজৰ অনুগামীসকলক এই উপদেশ দিছিল যে আল্লাহ তা'লাৰ কৃতজ্ঞ বান্দা হ'বা। সকলোতকৈ ডাঙৰ কৃতজ্ঞতাৰ আদৰ্শ আমাৰ আকা হজৰত মহম্মদ মুস্তফা চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে দেখুৱাই গৈছে।

আঁহুজুৰ (ছাঃ)-ৰ সেই আদৰ্শ, দোৱা আৰু নিয়মৰ বিষয়ে আজি আলোচনা কৰিম। এটা ৰিৱায়তত আহিছে যে ৰছুলুল্লাহ (ছাঃ)-এ কৈছে, ঈমান দুটা ভাগত বিভক্ত— আধা ধৈৰ্য আৰু আধা কৃতজ্ঞতা।

হুজুৰ আনোৱাৰে কৈছে যে যদি চোৱা যায়, তেন্তে ধৈৰ্যও কৃতজ্ঞতাৰ এটা দিশ। তাৰ পিছত নবী কৰীম (ছাঃ)-এ কৈছে যে মুমিনৰ সকলো বিষয় কেৱল কল্যাণকৰ, আৰু এই সুযোগ মুমিনৰ বাহিৰে আন কাৰো বাবে নাই। যদি তেওঁ কোনো আনন্দ পায়, তেন্তে কৃতজ্ঞতা জ্ঞাপন কৰে আৰু সেয়া তেওঁৰ বাবে কল্যাণকৰ; আৰু যদি তেওঁ কোনো কষ্ট পায়, তেন্তে ধৈৰ্য ধাৰণ কৰে আৰু সেয়াও তেওঁৰ বাবে কল্যাণকৰ।

ৰছুলুল্লাহ (ছাঃ)-এ কৈছে যে যিয়ে মানুহৰ কৃতজ্ঞতা স্বীকাৰ নকৰে, তেওঁ আল্লাহৰো কৃতজ্ঞতা নকৰে। আল্লাহ তা'লাৰ কৃতজ্ঞতাৰ লগতে বান্দাৰো কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ তেখেত (ছাঃ) এ নিৰ্দেশ দিছে। যদি ইয়াৰ ওপৰত আমল কৰা হয়, তেন্তে এটা প্ৰকৃত ইছলামিক সমাজ গঢ়ি উঠিব পাৰে।

হজৰত নুমান বিন বাছিৰ (ৰাঃ)-ৰ পৰা বৰ্ণিত যে নবী কৰীম (ছাঃ)-এ কৈছে, যিয়ে অলপ লাভ কৰিলে কৃতজ্ঞতা আদায় নকৰে, তেওঁ বেছি লাভ কৰিলেও কৃতজ্ঞ হ'ব নোৱাৰে। আল্লাহ তা'লাৰ নিয়ামতসমূহৰ (অনুগ্ৰহৰ) কথা

উল্লেখ কৰাটোও কৃতজ্ঞতা প্ৰকাশ। তেওঁ কৈছে যে একতা বা জামাত হ’ল ৰহমত (দয়া) আৰু বিভক্ততা হ’ল শাস্তি।

হজৰত ওচামা বিন জায়েদ (ৰাঃ) এ বৰ্ণনা কৰিছে যে ৰচুলুল্লাহ (ছাঃ) এ কৈছে, যাৰ সৈতে কিবা ভাল ব্যৱহাৰ বা উপকাৰ কৰা হৈছে আৰু তেওঁ উপকাৰককৰোঁতাজনক কয় জাজাকাল্লাহু খাইৰান (আল্লাহ তা’লাই আপোনাক উত্তম প্ৰতিদান দিয়ক), তেন্তে তেওঁ প্ৰশংসাৰ হক আদায় কৰিলে। তেওঁ আৰু কৈছে যে যেতিয়া আল্লাহ তা’লাই কোনো জাতি/সম্প্ৰদায়ক কল্যাণ আৰু বৰকত দান কৰিব বিচাৰে, তেতিয়া তেওঁলোকৰ বয়স বৃদ্ধি কৰি দিয়ে আৰু তেওঁলোকক কৃতজ্ঞতা আদায় কৰাৰ ইলহাম (প্ৰেৰণা আৰু তাওফীক) দান কৰে।

ৰচুলুল্লাহ (ছাঃ) এ হজৰত মুআজ বিন জাবল (ৰাঃ) ৰ হাত ধৰি কৈছে, হে মুআজ! আল্লাহৰ শপত, মই তোমাক ভাল পাওঁ। মই তোমাক বিশেষ নিৰ্দেশ দিছো যে তুমি প্ৰতিটো নামাজৰ পিছত এইটো ক’বলৈ কেতিয়াও নাপাহৰিবা— ‘হে আল্লাহ! তোমাক স্মৰণ কৰিবলৈ, তোমাৰ কৃতজ্ঞতা কৰিবলৈ আৰু তোমাৰ ইবাদত সুন্দৰভাৱে পালন কৰিবলৈ মোক সহায় কৰা।’

আন এটা ৰিৱায়তত আছে যে তেখেত (ছাঃ)এ  চাহাবীসকলক এই দোয়া শিকাইছিল: হে আল্লাহ! মই প্ৰতিটো কামত তোমাৰ ওচৰত স্থিৰতা/দৃঢ়তা বিচাৰো, সঠিক পথত সুদৃঢ় হৈ থকাৰ তাওফীক বিচাৰো, তোমাৰ নিয়ামতৰ কৃতজ্ঞতা জ্ঞাপন কৰাৰ তাওফীক বিচাৰো, তোমাৰ সুন্দৰ ইবাদত কৰাৰ ক্ষমতা আৰু সঠিক ভাষাৰ প্ৰয়োগ বিচাৰো। মই তোমাৰ ওচৰত শুদ্ধ-অন্তৰ (কালবে ছালিম) বিচাৰো, আৰু যিবোৰ অপকাৰ/অকল্যাণ তুমি জানা তাৰ পৰা আশ্ৰয় বিচাৰো, আৰু যিবোৰ কল্যাণ তুমি জানা তাৰ প্ৰাৰ্থনা কৰো আৰু তোমাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰো।

আনহাতে নবী কৰিম (ছাঃ) ক প্ৰশ্ন কৰা হৈছিল যে নামাজত কৰিবলৈ আটাইতকৈ উত্তম দোয়া কোনটো? তেতিয়া তেখেত (ছাঃ)এ কৈছিল, হে আল্লাহ! সকলো প্ৰশংসা কেৱল তোমাৰেই, সকলো কৃতজ্ঞতা তোমাৰেই, সকলো ৰাজত্ব তোমাৰেই, সকলো সৃষ্টি তোমাৰেই আৰু প্ৰতিটো বিষয় তোমাৰ ওচৰলৈকে উভতি যায়। আমি তোমাৰ ওচৰত সকলো ধৰণৰ কল্যাণ বিচাৰো আৰু সকলো ধৰণৰ অনিষ্টৰ পৰা তোমাৰ ওচৰত আশ্ৰয় বিচাৰো।

তাৰ পিছত তেখেত (ছাঃ)ৰ আৰু এটা দোয়া এনেদৰে পোৱা যায়, হে মোৰ ৰব্ব (প্ৰভু)! মোক সহায় কৰা আৰু মোৰ বিৰুদ্ধে কাকো সহায় নকৰিবা, মোক বিজয়ী কৰা আৰু মোৰ বিৰুদ্ধে কাকো বিজয়ী নকৰিবা, মোৰ বাবে সু-কৌশল প্ৰস্তুত কৰা আৰু মোৰ বিৰুদ্ধে কোনো কৌশল নচলিবলৈ দিয়া, মোক হিদায়ত দান কৰা আৰু মোৰ বাবে হিদায়তৰ পথ সহজ কৰি দিয়া, আৰু যিয়ে মোৰ ওপৰত অন্যায়-অত্যাচাৰ কৰে তাৰ বিৰুদ্ধে মোক সাহায্য কৰা। হে আল্লাহ! মোক তোমাৰ অত্যন্ত কৃতজ্ঞতাসূচক, তোমাক বহুত স্মৰণ কৰোঁতা, তোমাক ভয় কৰোঁতা, তোমাৰ আজ্ঞাবহ, তোমাৰ অত্যন্ত অনুগত আৰু তোমাৰ প্ৰতি অতিশয় ঢাল খোৱা কৰি তোলা। হে মোৰ ৰব্ব! মোৰ তওবা গ্ৰহণ কৰা, মোৰ দোৱা কবুল কৰা, মোৰ প্ৰমাণ/যুক্তি গ্ৰহণ কৰা, মোৰ অন্তৰক হিদায়ত দিয়া, মোৰ মুখৰ ভাষাক সঠিক ৰখা আৰু মোৰ অন্তৰৰ পৰা হিংসা-বিদ্বেষ আঁতৰাই দিয়া।

তাৰ পিছত আন এটা দোয়া হ’ল: হে আল্লাহ! মোক এনেকুৱা বনাই দিয়া যাতে মই তোমাৰ প্ৰচুৰ কৃতজ্ঞতা জ্ঞাপন কৰিব পাৰো, প্ৰচুৰ পৰিমাণে তোমাক স্মৰণ কৰিব পাৰো, তোমাৰ উপদেশসমূহ মানি চলিব পাৰো আৰু তোমাৰ গুৰুত্বপূৰ্ণ নিৰ্দেশসমূহ মনত ৰাখিব পাৰো।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কৈছে যে যদি মানুহে এই দোৱা প্ৰতিদিনে কৰে, তেন্তে তেওঁৰ মনত কু-প্ৰবৃত্তি সৃষ্টি নহ'ব আৰু তেওঁ কোনো বেয়া কামো নকৰিব।

হজৰত মুহাম্মদ ছাল্লাল্লাহু আলাইহি ৱা ছাল্লাম আৰু তেওঁৰ চাহাবীসকলে বৰষুণৰ প্ৰথম পানীৰ টোপালবোৰ নিজৰ মূৰত পেলাই লৈছিল আৰু হুজুৰ (ছাঃ) এ কৈছিল যে এইটো আমাৰ অতি মহান প্ৰভুৰ ফালৰ পৰা অহা এক সতেজ নেয়ামত (অনুগ্ৰহ), এনেদৰেই তেওঁলোকে বৰষুণৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছিল।

শৌচালয়ৰ পৰা বাহিৰলৈ ওলাই আহি মহানবী (ছাঃ)-এ এই দোৱা কৰিছিল: সকলো প্ৰশংসা সেই আল্লাহৰ বাবে, যিজনে মোৰ পৰা ক্ষতিকৰ বস্তু আঁতৰাই দিলে আৰু মোক আৰোগ্য/স্বাস্থ্য প্ৰদান কৰিলে।

যেতিয়া তেওঁ ৰাতি বিচনাত শুইছিল, তেতিয়া এই দোৱা কৰিছিল: হে আল্লাহ! তোমাৰ নামেৰেই মই মৰোঁ আৰু জীয়াই থাকোঁ। যেতিয়া তেওঁ সাৰ পাইছিল, তেতিয়া দোৱা কৰিছিল: সকলো প্ৰশংসা কেৱল আল্লাহৰ বাবে, যিজনে আমাক মৃত্যুৰ পাছত পুনৰ জীৱন দিলে আৰু তেওঁৰ ওচৰলৈকে আমি ঘূৰি যাব লাগিব।

যেতিয়া তেওঁ আহাৰ গ্ৰহণ কৰিবলৈ লৈছিল, তেতিয়া আল্লাহ তা'লাৰ ধন্যবাদ জ্ঞাপন কৰিছিল; যেতিয়া নতুন কাপোৰ পিন্ধিছিল, তেতিয়াও আল্লাহ তা'লাৰ ধন্যবাদ জ্ঞাপন কৰিছিল। মুঠতে এনে কোনো সুযোগ নাছিল য'ত তেওঁ আল্লাহ তা'লাৰ ধন্যবাদ আৰু প্ৰশংসা কৰা নাছিল।

মহানবী (ছাঃ)-ৰ সন্মুখলৈ এজন ব্যক্তি আহিল, যাৰ চুলিবোৰ আউলী-বাউলী হৈ আছিল। হুজুৰ (ছাঃ) ক'লে: ই চুলি ঠিক কৰিবলৈ একো বস্তু পোৱা নাইনে? আন এজন মানুহক দেখা পালে যিয়ে ময়লা থকা কাপোৰ পিন্ধি আছিল। হুজুৰ (ছাঃ) ক'লে: ই কাপোৰ ধুবলৈ পানী পোৱা নাইনে?

হুজুৰ (ছাঃ) কৈছে: যিজনৰ অন্তৰত অলপো অহংকাৰ থাকিব, তেওঁ জান্নাতত প্ৰৱেশ কৰিব নোৱাৰিব। এজন মানুহে ক'লে যে মানুহে পছন্দ কৰে যে তেওঁৰ কাপোৰ ভাল হওক, জোতাও ভাল হওক। হুজুৰ (ছাঃ)এ ক'লে: আল্লাহ সুন্দৰ আৰু তেওঁ সৌন্দৰ্যক পছন্দ কৰে। ইয়াত কোনো সন্দেহ নাই! অহংকাৰ হ'ল নিজক ডাঙৰ ভবাৰ কাৰণে সত্যক অস্বীকাৰ কৰা আৰু মানুহক তুচ্ছ জ্ঞান কৰা।

বদৰৰ যুদ্ধৰ সময়ত কাফিৰসকলৰ ধ্বংস আৰু আল্লাহ তা'লাৰ ফালৰ পৰা পোৱা বিজয়ৰ বাবে হুজুৰ (ছাঃ)এ আল্লাহ তা'লাৰ ধন্যবাদ জ্ঞাপন কৰিছিল। ঠিক তেনেদৰে মক্কা বিজয়ৰ সময়তো তেওঁৰ ধন্যবাদ জ্ঞাপনৰ দোৱাসমূহৰ উল্লেখ পোৱা যায়। এই উপলক্ষ্যে তেখেতে হজৰত উম্মে হানি (ৰাঃ)-ৰ ঘৰত আঠ ৰাকাত চাশ্বতৰ নামাজ আদায় কৰিছিল।

বিদায় হজ্জৰ সময়ত মহানবী (ছাঃ)-ৰ এটা দোৱাৰ উল্লেখ এনেদৰে পোৱা যায়: আল্লাহৰ বাহিৰে আন কোনো উপাস্য নাই। তেওঁ একক, তেওঁৰ কোনো অংশীদাৰ নাই, ৰাজত্ব কেৱল তেওঁৰেই, প্ৰশংসাও তেওঁৰেই আৰু তেওঁ সকলো বস্তুৰ ওপৰত সৰ্বশক্তিমান। আল্লাহৰ বাহিৰে আন কোনো যোগ্য নহয়, তেওঁ নিজৰ প্ৰতিশ্ৰুতি পূৰণ কৰিলে, নিজৰ বান্দাক সহায় কৰিলে আৰু অকলেই শত্ৰুৰ সৈন্যবাহিনীক পৰাস্ত কৰিলে।

ৰছুলুল্লাহ (ছাঃ)-এ কৈছে যে, দুটা এনে গুণ আছে যি ব্যক্তিৰ মাজত সেইবোৰ পোৱা যায়, আল্লাহে তেওঁক 'ধৈৰ্য্যশীল' আৰু 'কৃতজ্ঞ' হিচপে লিপিবদ্ধ কৰে। প্ৰথমটো হ'ল— যি ব্যক্তিয়ে দ্বীনৰ (ধৰ্মৰ) বিষয়ত নিজতকৈ উচ্চ স্থানত থকা জনৰ ফালে চায় আৰু তেওঁক অনুসৰণ কৰে; আৰু দ্বিতীয়টো হ'ল— যি ব্যক্তিয়ে পাৰ্থিৱ (দুনিয়াৰ) বিষয়ত নিজতকৈ নিম্ন পৰ্যায়ৰ জনৰ ফালে চায় আৰু তাৰ পিছত আল্লাহৰ প্ৰশংসা কৰে।

তেখেত (ছাঃ) এ কৈছে: তোমালোকে নিজতকৈ নিম্ন পর্যায়ত থকাসকলৰ ফালে চোৱা আৰু তোমালোকতকৈ ওপৰত থকা সকলৰ ফালে নাচাবা। এইটো এই বাবেই অধিক উপযুক্ত যাতে তোমালোকে আল্লাহৰ নিয়ামতক (অনুগ্রহক) তুচ্ছ জ্ঞান নকৰা।

তেখেত (ছাঃ)এ কৈছে, চাৰিটা বস্তু এনেকুৱা, যাক এই কেইটা প্ৰদান কৰা হৈছে যে তেওঁক ইহকাল আৰু পৰকালৰ সকলো কল্যাণ দান কৰা হৈছে—

- এজন কৃতজ্ঞ হৃদয়,
- আল্লাহৰ জিকিৰ (স্মৰণ) কৰা জিহ্বা,
- পৰীক্ষা আৰু বিপদৰ সময়ত ধৈৰ্য্য ধাৰণ কৰা শৰীৰ, আৰু
- এনে এগৰাকী পত্নী যিগৰাকীয়ে নিজৰ সতীত্ব আৰু স্বামীৰ সম্পত্তি বা অধিকাৰৰ ক্ষেত্ৰত কোনো ধৰণৰ বিশ্বাসঘাতকতা নকৰে।

হজৰত আয়েশা (ৰাঃ)-য়ে বৰ্ণনা কৰিছে যে, নবী কৰীম (ছাঃ)-এ তেওঁৰ সকলো সময়তে আল্লাহৰ জিকিৰ কৰিছিল। আঁহজৰত (ছাঃ)-এ নিজৰ উম্মতৰ সন্মুখত কৃতজ্ঞতাৰ সৰ্বোচ্চ নিদৰ্শন দাঙি ধৰিছিল আৰু আমাকো কৃতজ্ঞ হ'বলৈ উপদেশ দিছিল।

খুতবাৰ শেষত হুজুৰে আনোৱৰে কৈছে যে, অহা শুকুৰবাৰৰ পৰা ইনশাআল্লাহ জমা'আত আহমদীয়া ব্ৰিটেইনৰ বাৰ্ষিক জলছাও আৰম্ভ হ'বলৈ গৈ আছে। দোয়া কৰিব যাতে আল্লাহে ইয়াক সকলো ফালৰ পৰা বৰকতপূৰ্ণ কৰে আৰু নিজৰ সুৰক্ষা ও জিম্মাত ৰাখে। বতৰৰ প্ৰচণ্ডতা আৰু গৰমৰ বাবে কিছুমান বিপদৰ সম্ভাৱনাও আছে; আল্লাহে সকলো ধৰণে সুৰক্ষাত ৰাখক। কৰ্তব্যৰত কৰ্মীসকল, যিসকলে কেতিয়াবা তীব্ৰ গৰমৰ মাজত থিয় হৈ কঠিন দায়িত্ব পালন কৰিবলগীয়া হয়— আল্লাহে তেওঁলোককো উত্তমভাৱে নিজৰ কৰ্তব্য সম্পাদন কৰাৰ তাওফীক দান কৰক।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اعْمَالِنَا مَن يَّهْدِهِ اللهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَاَ اِلٰهَ اِلاَّ اللهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللهِ رَحِمَكُمُ اللهُ اِنَّ اللهَ يأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللهِ اَكْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 17 July 2026

Nazarat Nashor-O-Ishaat Qadian